পোলেণ্ডৰ প্ৰধান মন্ত্ৰীৰ ভাৰত ভ্ৰমণ (অক্টোবৰ 21-23, 2026)

প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীৰ নিমন্ত্ৰণমৰ্মে, পোলেণ্ড প্ৰজাতন্ত্ৰৰ প্ৰধানমন্ত্ৰী মহিমহিম ড'নাল্ড টুস্কই 21–23 অক্টোবৰ 2026 লৈ এক চৰকাৰী ভ্ৰমণসূচীৰে ভাৰত ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰী ড'নাল্ড টুস্কৰ সৈতে বিত্ত আৰু অৰ্থনীতি মন্ত্ৰী শ্ৰী অনড্ৰেজ ডমানস্কি আৰু এক বৃহৎ ব্যৱসায়ী প্ৰতিনিধি দল উপস্থিত থাকিব। পোলেণ্ডৰ প্ৰধানমন্ত্ৰী হিচাপে এয়া প্ৰধানমন্ত্ৰী টুস্কৰ দ্বিতীয়টো ভাৰত ভ্ৰমণ হ'ব; ইয়াৰ পূৰ্বে তেওঁৰ আগৰ কাৰ্যকালত 2010 চনত প্ৰথমটো ভ্ৰমণ সম্পন্ন হৈছিল। ইউৰোপীয় পৰিষদৰ সভাপতি হিচাপে 2017 চনত ভাৰত-ইউৰোপীয় ইউনিয়ন শীৰ্ষ সন্মিলনৰ বাবেও প্ৰধানমন্ত্ৰী টুস্কই নতুন দিল্লী ভ্ৰমণ কৰিছিল।

2. প্ৰধানমন্ত্ৰী টুস্কই 22 অক্টোবৰ 2026 ত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব, য'ত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ দিশ পৰ্যালোচনা কৰিব, যি সম্পৰ্কক 2024 চনৰ আগষ্ট মাহত প্ৰধানমন্ত্ৰী মোদীৰ পোলেণ্ড ভ্ৰমণৰ সময়ত এক কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰা হৈছিল। তেওঁলোকে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰতো মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী ড'নাল্ড টুস্কই বেংগালুৰুলৈও ভ্ৰমণ কৰিব, য'ত তেওঁ আইটি আৰু মহাকাশ খণ্ডকে ধৰি বিভিন্ন ব্যৱসায়িক অংশীদাৰসকলৰ সৈতে আলোচনাত মিলিত হ'ব। 22 অক্টোবৰত নতুন দিল্লীত আৰু 23 অক্টোবৰত বেংগালুৰুত এখন ভাৰত-পোলেণ্ড ব্যৱসায়িক মঞ্চ অনুষ্ঠিত হ'ব।

3. এই ভ্ৰমণে ভাৰত-পোলেণ্ড কৌশলগত অংশীদাৰিত্বক আৰু অধিক শক্তিশালী কৰাৰ লগতে বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা, উদীয়মান প্ৰযুক্তি, নবীকৰণযোগ্য শক্তি, শিক্ষা, সংস্কৃতি আৰু জনসাধাৰণৰ মাজত সম্পৰ্ক ধৰি পৰস্পৰ স্বাৰ্থজড়িত ক্ষেত্ৰসমূহত সহযোগিতা আগবঢ়াই নিয়াৰ সুযোগ প্ৰদান কৰিব। ই ভাৰত-ইউৰোপীয় ইউনিয়নৰ কৌশলগত অংশীদাৰিত্ব গভীৰ কৰাৰ বাবেও কাম কৰিব।

নতুন দিল্লী

অক্টোবৰ 19, 2026